بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**পৱিত্ৰ ৰমজান মাহৰ শেষৰ উপলক্ষে হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাৰ আলোকত জামাতৰ সদস্যসকলক গুৰুত্বপূৰ্ণ উপদেশ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৮ মাৰ্চ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আল্লাহ তা'লা আমাক সৌভাগ্য দান কৰিছে যে এই ৰমজান মাহ অতিক্ৰম কৰি আছো। আল্লাহ তা'লাৰ অনুগ্ৰহ যে সেইজনাই আমাৰ বেছিভাগক ৰোজা ৰখাৰ আৰু উপাসনা কৰাৰ সৌভাগ্য দান কৰিছে। ইয়াৰ লগতে এইফালে মনোযোগ দিয়া উচিত যে কেৱল ৰমজান মাহতেই ৰোজা ৰাখিলে আৰু উপাসনা কৰিলেই আমাৰ উদ্দেশ্য পূৰণ নহয় বৰঞ্চ আল্লাহ তা'লাই আমাক এই হিদায়ত কৰিছে যে তোমালোকে চিৰস্থায়ী আমাৰ উপাসনা কৰিব লাগিব। সেয়ে যিসকলে এই ৰমজানত উপাসনা কৰাৰ সৌভাগ্য লাভ কৰিছে তেওঁলোকৰ ওপৰত সেয়া অব্যাহত ৰখাৰ দায়িত্বও অৰ্পন হয়। ইয়াৰ বাবে দোৱা কৰিব আৰু চেষ্টাও কৰিব।

যিদৰে ৰমজান গুৰুত্বপূৰ্ণ সেইদৰে নামাজ আৰু জুমাও গুৰুত্বপূৰ্ণ। এই জুমা ৰমজানৰ শেষ জুমা বুলি কল্যাণমণ্ডিত নহয়; প্ৰত্যেক জুমা গুৰুত্বপূৰ্ণ আৰু কল্যাণময় হয়। এই যুগত আল্লাহ তা'লাই হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে আৰু আমি তেখেতক গ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰিছোঁ। তেখেত (আঃ)য়ে আমাক বুজাইছে যে কেনেকৈ আমি প্ৰকৃত মোমিন আৰু আঁহজৰত (ছাঃ)ৰ উম্মতৰ বাবে উৎকৃষ্ট হ'ব পাৰো। তেখেত (আঃ)য়ে এবাৰ কৈছে যে মই বাৰম্বাৰ নিজৰ জামাতক কৈছো যে তোমালোকে কেৱল মোৰ বয়াতৰ ওপৰতেই ভৰসা নকৰিব, যেতিয়ালৈকে ইয়াৰ

প্ৰকৃতলৈ গৈ নাপাব তেতিয়ালৈকে মুক্তি নাই। যদি শিষ্যসকলে গুৰুৰ অনুসৰণ নকৰে তেতিয়া একোৱেই উপকাৰ নহয়। কৈছে মই এখন পুস্তকত লিখিছো অৰ্থাৎ কিস্তি নুহত, এই পুস্তকখন বাৰে বাৰে অধ্যয়ন কৰক। আল্লাহ তা'লাই কৈছে যে সেইজন ব্যক্তি সফল হৈছে যিজন পৱিত্ৰ। যেতিয়া পৱিত্ৰতা অৱলম্বন কৰি ইয়াৰ ওপৰত পৰিচালিত হ'ব তেতিয়াহে লাভবান হ'ব পাৰিব। সহস্ৰ চোৰ, ব্যভিচাৰী, দুষ্ট, মদ্যপায়ী, অশিষ্টই দাবী কৰে যে তেওঁলোকে আঁহজৰত (ছাঃ)ৰ উম্মত, বাস্তৱতে তেওঁলোক এনেকুৱা হয় নে ? তেওঁলোকে আঁহজৰত (ছাঃ)ৰ উম্মতী হোৱাৰ অধিকাৰ ৰাখেনে ? কেতিয়াও নহয়। উম্মতী সেইসকল যিসকলে আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ ওপৰত পৰিচালিত হয়।

তেখেত (আঃ)য়ে কৈছে যে এই জামাতত যদি অন্তৰ্ভুক্ত হৈছা তেন্তে ইয়াৰ শিক্ষাৰ ওপৰত পৰিচালিত হোৱা। জামাতত অন্তৰ্ভুক্ত হোৱাৰ পিছত কষ্ট হয়। যদি কষ্টই নহয় তেন্তে ছোৱাব কেনেকৈ লাভ কৰিব ? পয়গম্বৰ (ছাঃ)য়ে মক্কাত তেৰ বছৰ কষ্ট সহ্য কৰিছে। তোমালোকে নাজানে যে সেই যুগৰ কষ্ট কি আছিল ? গতিকে সদায় মনত ৰাখিব যে কষ্ট হৈয়ে থাকে; কিন্তু যেতিয়া এই কষ্ট আঁহজৰত (ছাঃ)আৰু চাহাবা (ৰাঃ)সকলে পাইছিল সেই সময়ত আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক ধৈৰ্য ধাৰণ কৰাৰ শিক্ষা দিছিল। ইয়াৰ ফলাফল কি ওলাইছিল ? ইয়াৰ ফলাফল এয়াই ওলাইছিল যে শেষত শত্ৰুসকল ধ্বংস হৈছিল। তোমালোকে দেখিবলৈ পাবা যে যিবিলাক দুষ্ট লোক আছে এই দুষ্টসকলক তেতিয়া দেখিবলৈ নাপাবা। আল্লাহ তা'লাই ইচ্ছা কৰিছে যে সেইজনাই এই জামাতক পৃথিৱীত বিস্তাৰ কৰিব। এইসকল লোকে (দুষ্টলোক) তোমালোকৰ নগন্য সংখ্যাক দেখি দুঃখ কষ্ট দিয়ে যেতিয়া জামাত বিস্তৃত হ'ব তেতিয়া এইসকলে নিজেই পলায়ন কৰিব। এইটোৱেই পৃথিৱীৰ নীতি, এনেকুৱাই আমি নবীসকলৰ জামাতৰ ইতিহাসত দেখিছো।

হুজুৰ (আঃ)য়ে কৈছে যে ধৈৰ্য এটা উপাসনা .... আমাৰ জামাতৰ সৈতে খোদাৰ সমৰ্থন আছে; দুঃখ কষ্ট ভোগ কৰাৰ ফলত ঈমান দৃঢ় হয়; ধৈৰ্যৰ নিচিনা আন কোনো বস্তু নাই। হজৰত মছীহ মাওউদ (আঃ)য়ে তাকওৱা সম্পৰ্কে উপদেশ দি কৈছে যে ইতিহাসে সাক্ষ্য দিয়ে যে প্ৰাৰম্ভিকতে যিসকল প্ৰকৃত মুছলমান হয় তেওঁলোকে ধৈৰ্য ধাৰণ কৰিলগা হয়। চাহাবা সকলৰ ওপৰত এনেকুৱা যুগ অতিবাহিত হৈছে.... মানুহে যেতিয়া তাকওৱা অৱলম্বন কৰে আল্লাহ তা'লা তেওঁৰ বাবে দুৱাৰ উন্মোচন কৰি দিয়ে। ইয়াৰ পিছত তেখেত (আঃ)য়ে আল্লাহৰ ভৃত্য সকলৰ অধিকাৰ পালন কৰা সন্দৰ্ভত কৈছে যে পাৰস্পৰিক ভাৱে মিলি-জুলি বাস কৰিবা, যিমানেই পৰস্পৰে পৰস্পৰৰ সৈতে ভালপোৱা প্ৰদৰ্শন কৰিবা সিমানেই আল্লাহ তা'লা তোমালোকক ভাল পাব। এঠাইত তেখেত (আঃ)য়ে উপদেশ দি কৈছে যে আমাৰ জামাতৰ বাবে জৰুৰী যে অশান্তিৰ যুগত অৰ্থাৎ যেতিয়া চাৰিওফালে অন্ধকাৰ, গাফিলতি আৰু পথ ভ্ৰষ্টতাৰ বতাহ বৈ থাকে তেতিয়া তাকওৱা অৱলম্বন কৰিব।

হুজুৰ আনোৱাৰ (আঃ)য়ে কৈছে যে আজিৰ যুগত এনেকুৱা কোনটো উপায় আছে যিয়ে বেয়াৰ ফালে লৈ যোৱাৰ বাবে ব্যৱহাৰ নহয়। এনে সময়ত আমাৰ কৰণীয়া কৰ্তব্য যে আমি যেন পাপৰ পৰা ৰক্ষা পোৱাৰ প্ৰয়াস কৰো। কৈছে যে তাকওৱা এনেকুৱা নহয় যে কেৱল মুখৰ দ্বাৰা অৰ্জন কৰিব পাৰি। চয়তানে প্ৰৰোচনা কৰি থাকে এইটো তাকওৱা অৱলম্বনকাৰী সকলে জানে; ইয়াৰ দ্বাৰা

মানুহৰ দুৰ্বলতা জানিব পৰা যায়। গতিকে তাকওৱা অবলম্বনকাৰী সকলে সতৰ্কতাৰে সৈতে খোজ আগবঢ়ায়, এইটো তেতিয়াই সম্ভৱ যেতিয়া মানুহৰ নিশ্চিত বিশ্বাস হৈ যায় যে সকলো শক্তিৰ কেন্দ্ৰবিন্দু হৈছে খোদা তা'লাৰ অস্তিত্ব। কৈছে যে অৱমাননা আৰু কৃপণালি নিশ্চিত ভাৱে ত্যাগ কৰিব। নিম্ন স্তৰৰ চৰিত্ৰৰ পৰা আঁতৰত থাকি ইয়াৰ মোকাবিলাত উত্তম আচৰণত উন্নতি কৰিব। কেৱল ইমানেই যথেষ্ট নহয় বৰঞ্চ ইয়াৰ মোকাবিলাত ভাল আচৰণ সৃষ্টি কৰা জৰুৰী, এইটোৱেই হৈছে মূল তকওৱা।

পুণ্য কামত অগ্ৰসৰ হোৱাৰ বাবে যিবোৰ বস্তু জৰুৰী সেয়া এই যে লোকসকলৰ সৈতে ভাল আচৰণ কৰা, উত্তম আচৰণ প্ৰদৰ্শন কৰা, সহানুভূতি প্ৰদৰ্শন কৰা, ইয়াৰ পিছত খোদা তা'লাৰ সৈতে প্ৰকৃত আনুগত্য আৰু সততা প্ৰদৰ্শন কৰা, এনেকুৱা আচৰণৰ ফলতেই মানুহক মুত্তাকি কোৱা হয়। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লা এনেকুৱা লোকসকলৰ নিজেই অভিভাৱক হৈ যায় কিয়নো আল্লাহ তা'লা নিজেই কয় যে তেওঁলোকৰ কোনো ভয় নাথাকিব আৰু দুঃখিত হ'বও নালাগিব। আন ঠাইত কৈছে যে সেইজনা পুণ্যবান লোকসকলৰ পৃষ্ঠপোষক হৈ থাকে। হুজুৰ (আঃ)য়ে কৈছে যে নিজৰ হৃদয়ত খোদা তা'লাৰ প্ৰতি প্ৰেম আৰু মহানতাৰ ধাৰাবাহিকতা অব্যাহত ৰখা; ইয়াৰ বাবে নামাজতকৈ ডাঙৰ আন কোনো বস্তু নাই। মূল বস্তু এইটোৱেই যে আল্লাহ তা'লাৰ চৰণত পুণ্য উত্থাপন কৰিব আৰু সেইজনাৰ অধিকাৰ পালন কৰিব ইয়াৰ বাবে উৎকৃষ্ট বস্তু হৈছে নামাজ। কৈছে যে ৰমজান অতিক্ৰম কৰিলোঁ, নামাজৰ অৱস্থা পাৰ কৰিলোঁ, পুণ্যৰ অৱস্থা পাৰ কৰিলোঁ; এতিয়া এইবোৰ ৰমজানৰ পিছতও অব্যাহত ৰখা আল্লাহ তা'লাৰ দয়া লাভ কৰাৰ বাবে জৰুৰী। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ৰোজা এবছৰ পিছত আহে, জাকাত  চৰ্ত পূৰণ হোৱা সকলে আদায় কৰিব লাগে, এইটোও এটা পুণ্য কাম; কিন্তু নামাজ সকলোৱে পাঁচ ওৱাক্ত আদায় কৰিব লাগে। ইয়াক কেতিয়াও বিনষ্ট হ'বলৈ নিদিব। এই ধাৰণা জন্মাই নামাজ পঢ়া যে মই এনেকুৱা ক্ষমতাবানৰ সন্মুখত থিয় হৈ আছো যে যদি সেইজনাৰ ইচ্ছা হয় তৎক্ষণাত গৃহীত কৰি ল'ব পাৰে।

হুজুৰ (আঃ)য়ে কৈছে যে আমাৰ জামাতৰ লোকসকলৰ ঈমান বৃদ্ধি হোৱা উচিত, আল্লাহ তা'লাৰ ওপৰত নিষ্ঠাৰ সৈতে প্ৰকৃত বিশ্বাস স্থাপন হোৱা উচিত; সজ কাম কৰাত আলস্য আৰু বিৰক্ত হ'ব নালাগে। যেতিয়া অলসতা দেখুৱাব তেতিয়া অজু কৰাটো এক বিপদ বুলি গণ্য কৰিব, তাহাজ্জুদ দূৰৰ কথা। যদি সজ কামত শক্তি সৃষ্টি নহয় আৰু পুণ্যৰ প্ৰতি খোজ আগবঢ়াৰ উৎসা সৃষ্টি নহয় তেন্তে আমাৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ কোনো লাভ নাই। কৈছে আমাৰ জামাতত সেইজনেই অন্তৰ্ভুক্ত হয় যিয়ে আমাৰ শিক্ষাক  সদায় নিজৰ কৰ্মক্ষেত্ৰলৈ অব্যাহত ৰাখে আৰু নিজৰ সামৰ্থ্য শক্তি অনুযায়ী ইয়াৰ ওপৰত পৰিচালিত হয়। যিসকলে কেৱল প্ৰদৰ্শনীয়তা দেখুৱায় শিক্ষাৰ ওপৰত পৰিচালিত নহয় তেওঁলোকে স্মৰণ ৰাখিব যে খোদা তা'লাই এই জামাতক এক বিশেষ জামাত গঢ়ি তোলাৰ সিদ্ধান্ত লৈছে, গতিকে কোনো ব্যক্তি কেৱল নাম লিখোৱাই জামাতভুক্ত হৈ থাকিব নোৱাৰে। সেয়ে যথাসম্ভৱ হ'ব পাৰে নিজৰ কৰ্মক সেই শিক্ষাৰ ওপৰত পৰিচালিত কৰক যি শিক্ষা তোমালোকক দিয়া হৈছে।

কৈছে যে কৰ্ম হৈছে ডেউকাৰ নিচিনা, কৰ্ম অবিহনে মানুহৰ আধ্যাত্মিক উৰাণ (উন্নতি) হ'ব নোৱাৰে। খোদা তা'লাৰ সৈতে ভালপোৱাৰ অৰ্থ কি ? হুজুৰ (আঃ)য়ে কৈছে যে ইয়াৰ অৰ্থ হৈছে নিজৰ পিতৃ-মাতৃ, নিজৰ স্ত্ৰী, নিজৰ সন্তান-সন্ততি আৰু নিজৰ প্ৰবৃত্তিতকৈ আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে আল্লাহ তা'লাক প্ৰাধান্য দিয়া। এই কাৰণে কোৰআন কৰিমত কৈছে যে আল্লাহ তা'লাক এনেদৰে স্মৰণ কৰা যিদৰে তোমালোকে নিজৰ পিতৃ-মাতৃক কৰা, বৰঞ্চ ইয়াতোকৈ অধিক আৰু কঠিন সময়তো ভালপোৱাক স্মৰণ কৰা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই ৰমজানে আমাক যিদৰে উত্তম আচৰণ আৰু উপাসনাৰ ফালে মনোযোগ আকৰ্ষণ কৰিছে সেইদৰে এয়া গোটেই বছৰ অব্যাহত ৰখা উচিত। এই চেষ্টা ৰমজানলৈকে সীমাবদ্ধ থাকিব নালাগে বৰঞ্চ গোটেই বছৰ অব্যাহত ৰখা উচিত। যেতিয়া এই চেষ্টা গোটেই বছৰ অব্যাহত থাকিব তেতিয়া আমি আমাৰ জন্মৰ প্ৰকৃত উদ্দেশ্য লাভ কৰিব পাৰিম। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যদি লৌকিক জগতৰ নিচিনাই থাকিব বিচৰা তেন্তে একোৱে লাভ কৰিব নোৱাৰিবা। তোমালোকে মোৰ হাতত তৌবা কৰিছা; মোৰ হাতত তৌবা কৰাটোৱেই মৃত্যুক বিচাৰে যাতে তোমালোকে নতুন জীৱনত আৰু এটা জন্ম লাভ কৰিব পাৰা। দীক্ষা যদি হৃদয়ৰ সৈতে সম্পৰ্ক নাথাকে তেন্তে ইয়াৰ কোনো ফলাফল নোলাব। মোৰ দীক্ষা গ্ৰহণে খোদা তা'লাই হৃদয়ৰ স্বীকাৰোক্তিক বিচাৰে। সেয়ে যিয়ে মোক প্ৰকৃত হৃদয়ে গ্ৰহণ কৰে, নিজৰ পাপৰ পৰা প্ৰকৃত তৌবা কৰে, দয়ালু খোদাই পাপ সমূহ নিশ্চয় ক্ষমা কৰে আৰু তেনেদৰে হৈ পৰে যিদৰে মাতৃৰ পেটৰ পৰা ওলাই আহিছে, তেতিয়া ফিৰিস্তা তেওঁৰ সুৰক্ষা কৰে। যদি কোনো গাঁৱত এজন পুণ্যবান ব্যক্তি থাকে খোদা তা'লাই সেই এজন ব্যক্তিৰ স্বাৰ্থত সেই গাঁৱখনক ধ্বংসৰ পৰা সুৰক্ষিত ৰাখে। কিন্তু যেতিয়া ধ্বংস আহে তেতিয়া সেয়া সকলোৰে ওপৰত পতিত হয় তথাপি সেইজনাই নিজৰ ভৃত্যক কোনো উপায়ে সুৰক্ষিত কৰি লয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবাৰ শেষত কৈছে যে আজিকালি বিশ্বৰ যি পৰিস্থিতি এনে পৰিস্থিতিত আমি বিশেষকৈ নিজৰ বাবে, নিজৰ পৰিয়ালবৰ্গৰ বাবে আৰু পৃথিৱীখনক বচোৱাৰ বাবে প্ৰয়াস কৰিব তথা তৌহিদক পৃথিৱীত প্ৰতিষ্ঠিত কৰাৰ বাবে চেষ্টা কৰিব, আঁহজৰত (ছাঃ)ৰ পতাকাৰ তলত অনাৰ চেষ্টা কৰিব। ইয়াৰ বাবে আমাৰ মাজত এক বিশেষ চিৰস্থায়ী পৰিৱৰ্তন আনিব লাগিব তথা চিৰস্থায়ী দোৱা কৰাটো নিজৰ জীৱনৰ অংশ বনাব লাগিব; যাতে আমি নিজকে সুৰক্ষা ৰাখিব পাৰো লগতে পৃথিৱীখনকো সুৰক্ষিত ৰাখিব পাৰো; কিয়নো পৃথিৱীখন বৰ দ্ৰুত গতিৰে ধ্বংসৰ ফালে গৈ আছে; আল্লাহ তা'লা ইচ্ছা কৰিলে পৃথিৱীৰ সংস্কাৰৰ বাবে উপায় সৃষ্টি কৰিব পাৰে। আল্লাহ তা'লা তেওঁলোকৰ হৃদয় ঘূৰাই দিয়ক যাতে ধ্বংসলীলাৰ পৰা ৰক্ষা পাব পাৰে। ধ্বংস নিশ্চয় আহিব। সেয়ে খোদা তা'লা মোমিনসকলক আৰু বিশ্বাস স্থাপন কৰোঁতা সকলক এই ধ্বংসলীলাৰ পৰা সুৰক্ষিত ৰাখক। ইয়াৰ পৰা ৰক্ষা পোৱাৰ বাবে আমি আমাৰ কৰ্মৰ সংস্কাৰ কৰিব লাগিব আৰু এনেদৰে কৰ্ম সম্পাদন কৰিব লাগিব যাতে আল্লাহ তা'লাৰ কৃপা আমাৰ ওপৰত সদায় থাকে। খোদা তা'লাই আমাক ইয়াৰ সঠিক মৰ্ম বুজাৰ সামৰ্থ্য শক্তি দান কৰক যাতে আমি আমাৰ উপাসনা জীৱিত ৰাখিব পাৰো, আৰু আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰো আৰু তাকওৱাৰ ওপৰত পৰিচালিত হ'ব পাৰো

আৰু উত্তম আচৰণ দেখুৱাব পাৰো তথা তৌহিদ পৃথিৱীত প্ৰতিষ্ঠিত কৰিব পাৰো আৰু জগতখনক ধ্বংসৰ পৰা বচাব পাৰো, যেতিয়া এয়া আমাৰ মাজত সৃষ্টি হ'ব আৰু আমাৰ মাজত অনুতাপ সৃষ্টি হ'ব তেতিয়াহে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ অধিকাৰ পালন কৰিব পাৰিম। খোদা তা'লা আমাক বয়াতৰ অধিকাৰ পালন কৰাৰ সৌভাগ্য দান কৰক, এই ৰমজান আমাৰ বাবে কল্যাণৰ কাৰণ বনাই দিয়ক। আমাৰ ওপৰত নিজৰ দয়া আৰু অনুগ্ৰহৰ কল্যাণ বৰ্ষণ কৰক, ৰমজানৰ পিছত আগন্ত দিনবোৰত তথা গোটেই বছৰ আৰু পৰৱৰ্তী ৰমজানলৈকে যেন আমি আল্লাহ তা'লাৰ উপাসনাৰ অধিকাৰ পালন কৰিব পাৰো তথা সেইজনাৰ ভৃত্য সকলৰ অধিকাৰো যেন আদায় কৰিব পাৰো। আল্লাহ তা'লা আমাক সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 28 MARCH 2025**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**